**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ২১ ডিচেম্বৰৰ নামৰূপ ভ্ৰমণ উদ্দেশ্যে কালি ডিব্ৰুগড় সচিবালয়ত কালি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু বিষয়াবৰ্গৰ উপস্থিতিত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মন্ত্ৰী ডাঃ ৰণোজ পেগু, প্ৰশান্ত ফুকন আৰু বিমল বৰাই অংশগ্ৰহণ কৰে। বৈঠকত নামৰূপৰ এম'নিয়া-ইউৰিয়া সাৰ প্ৰকল্পৰ ভূমি পূজন আৰু প্ৰধানমন্ত্ৰীৰ জনসভাৰ কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

অসম মন্ত্ৰীসভাই নামৰূপৰ এম'নিয়া-ইউৰিয়া ব্ৰাউনফিল্ড প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰয়োজন হ'বলগীয়া ভূমি আৱণ্টনত অনুমোদন জনাইছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীসভাই ধেমাজি জিলাৰ কাৰেং চাপৰিত চি আৰ পি এফৰ গ্ৰুপ চেণ্টাৰ স্থাপনৰ বাবে ৬০৭ বিঘা চৰকাৰী ভূমি হস্তান্তৰত অনুমোদন জনায়। তদুপৰি মিছন বসুন্ধৰাৰ জৰিয়তে লখিমপুৰ, কামৰূপ, বৰপেটা, ধুবুৰী, গোৱালপাৰা, দৰঙৰ ২২৪ টা পৰিয়াল আৰু কামৰূপ, বৰপেটা, গোৱালপাৰা, গোলাঘাট, দৰঙৰ ৮৪ টা পৰিয়াললৈ ভূমি আবণ্টন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ডঃ শৰ্মাই চাহ শ্ৰমিকক ভূমি প্ৰদানৰ বাবে ভূমি চিলিং সংশোধন কৰা সন্দৰ্ভত মন্ত্ৰীসভাই অনুমোদন জনোৱাৰ কথাও উল্লেখ কৰে। এই সংশোধনীৰ ফলত সংশ্লিষ্ট জিলাৰ আয়ুক্তসকলে ভূমি আবণ্টনৰ কামত আগবাঢ়িব পাৰিব বুলি তেওঁ উল্লেখ কৰে।

-বাইট-

মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি, গ্ৰামীণৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত বি টি চিলৈ ২৫০ কোটি টকা মোকলাই দিয়াৰ বাবে অনুমোদন জনোৱা হয়।

ইপিনে, জৈৱ বৈচিত্ৰৰ দিশত থকা অপৰিসীম গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলাৰ কুমৰিবিল আৰু ধামাৰবিলক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ বাবেও মন্ত্ৰীসভাই সিদ্ধান্ত লয়। ইয়াৰ লগতে মহিলা টী-২০ দৃষ্টিহীন বিশ্বকাপ ক্ৰিকেট বিজয়ী ভাৰতীয় দলৰ সদস্যা চিমু দাসক শাৰীৰিক প্ৰশিক্ষক পদত নিযুক্তি দিয়াৰ বাবে মন্ত্ৰীসভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভতো বিভিন্ন বিষয়ে আলোচনা কৰে।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃগাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰী মোদীয়ে ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ

কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰী মোদীয়ে পৰহিলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত ২১ ডিচেম্বৰলৈ দৰ্শনাৰ্থীৰ বাবে ছহিদ স্মাৰক বন্ধ থাকিব বুলি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এখন জাননীযোগে প্ৰকাশ কৰিছে। তদুপৰি কাইলৈ আৰু পৰহিলৈ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ফেৰী সেৱা বন্ধ থাকিব।

শ্ৰীমোদী সেইদিনাই নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

oooooo

উত্তৰ-পূব ভাৰতৰ পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কাম কৰা সংস্থা নেচাৰ্ছ বেকনে ধেমাজি জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত কালিৰে পৰা **পবা** দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। নেচাৰ্ছ বেকনৰ সঞ্চালক তথা পৰিৱেশকৰ্মী সৌম্যদ্বীপ দত্তই কালি ধেমাজিৰ আৱৰ্ত ভৱনত এখন সংবাদমেলত জিলাখনৰ পবা অৰণ্যৰ সংৰক্ষণৰ গুৰুত্ব আৰু এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ কৰণীয় সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে পবা দিৱস শীৰ্ষক বিশেষ কাৰ্যসূচী গ্ৰহণৰ কথা জানিবলৈ দিয়ে। ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই দিৱসৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত নেচাৰ্ছ বেকনৰ ধেমাজি জিলাৰ সমন্বয়ক যুগল সন্দিকৈ, বন্যপ্ৰাণী ফটোগ্ৰাফাৰ নবীন কামানকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

oooooo

ধেমাজিৰ চিলিমপুৰত থকা আব-তানি কৃষ্টি ভৱনত অহা ২৭ আৰু ২৮ ডিচেম্বৰত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ দ্বিবাৰ্ষিক গোগামুখ অধিৱেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নাট্য সন্মিলনৰ ধেমাজি জিলা সমিতিৰ সৌজন্যত আয়োজিত দুদিনীয়া এই অধিৱেশনৰ নাট প্ৰতিযোগিতাত কেইবাটাও নাট্যদলে অংশগ্ৰহণ কৰিব।

oooooo

সমাপ্ত